বৰ্ণবিজ্ঞানৰ সহায়ত জানিব পাৰি।

### ৭.১.৫ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ পাৰ্থক্য ঃ

বাগ্ধ্বনিৰ অধ্যয়নত ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব, বৰ্ণবিজ্ঞানৰ ভূমিকা আছে যদিও প্ৰত্যেকৰে স্বকীয় বৈশিষ্ট্য অনুসৰি পাৰ্থক্য পৰিলক্ষিত হয়। যিহেতু ধ্বনিবিজ্ঞান হৈছে, উচ্চাৰিত ধ্বনিৰ বিজ্ঞান। ইয়াত পৃথিৱীৰ সমস্ত ভাষাৰ ধ্বনিসমূহৰ উৎপাদন (Production), উচ্চাৰিত ধ্বনিসমূহ বক্তাৰ মুখৰ পৰা শ্ৰোতালৈ প্ৰেৰণ (Transmission) আৰু ধ্বনিসমূহৰ গ্ৰহণ (Reception) সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। ইয়াত পৃথিৱীৰ সকলো ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে প্ৰাথমিক আৰু সাধাৰণ আলোচনা আগবঢ়োৱা হয়। এইফালৰ পৰা চাবলৈ গ'লে, ধ্বনিবিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ বিস্তৃত।

বৰ্ণবিজ্ঞানৰ পৰিসৰ ধ্বনিবিজ্ঞানতকৈ যথেষ্ট সীমিত। ইয়াত কোনো এটা ভাষাত উচ্চাৰিত ধ্বনি সম্পৰ্কেহে বিজ্ঞানসন্মতভাৱে আলোচনা আগবঢ়োৱা হয়। পৃথিৱীৰ ভাষাসমূহত সাধাৰণভাৱে উচ্চাৰিত ধ্বনিবোৰৰ প্ৰত্যেকৰে ধ্বনি গুণ, প্ৰকৃতি আৰু প্ৰয়োগ সুকীয়া সুকীয়া। ভাষাভেদেও ধ্বনিবোৰৰ উচ্চাৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবাবে বৰ্ণবিজ্ঞানত কোনো এটা ভাষাৰ আকৃতি আৰু প্ৰকৃতিসমূহৰ বিষয়ে সূক্ষ্মভাৱে অধ্যয়ন চলোৱা হয়। বৰ্ণবিজ্ঞানৰ প্ৰধান অধ্যয়নৰ বিষয় হৈছে — বৰ্ণবিচাৰ অৰ্থাৎ বৰ্ণ সম্পৰ্কে অধ্যয়ন। ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহক বিশিষ্ট আৰু অবিশিষ্ট হিচাপে চিনাক্ত কৰি বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰাই হৈছে — বৰ্ণবিজ্ঞানৰ প্ৰধান কাম।

ধ্বনিতত্ত্বত ভাষাবিশেষত উচ্চাৰিত বাগ্ধ্বনি (Vocal Sound) আৰু ধ্বনিসমূহৰ পৰিৱৰ্তন (Sound Changes), বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allphone) সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। যদি ধ্বনিবিজ্ঞানক এখন পৃথিৱী বুলি কোৱা হয়, তেতিয়া ধ্বনিতত্ত্বক এখন দেশ বুলি ক'ব পাৰি। যিহেতু ধ্বনিবিজ্ঞানত পৃথিৱীৰ সমস্ত ভাষাৰ অধ্যয়ন কৰা হয়। কিন্তু ধ্বনিতত্ত্বত কোনো ভাষা বিশেষৰহে অধ্যয়ন কৰা হয়। ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ পাৰ্থক্য সম্পৰ্কে জনচ্ লিয়নছ (John Lyons)ৰ ভাষাত ক'বলৈ গ'লে — ধ্বনিবিজ্ঞানত উচ্চাৰিত ধ্বনিসমূহৰ ক্ৰমাবদ্ধ বৈপৰীত্য (Paradigmatic Opposition) আৰু সহাবদ্ধ সংযোগ (Syntagmatic Combination) স্বাধীনভাৱে বিচাৰ-বিবেচনা কৰা হয়,

প্ৰাথমিক সামগ্ৰী যোগান ধৰে। ধ্বনিবিজ্ঞানত পৃথিবীৰ ভাষাসমূহৰ ধ্বনিৰ উচ্চাৰণ, প্ৰকৃতি বা স্বৰূপ সম্পৰ্কে এটা আভাস পোৱা যায়। ঠিক তেনেদৰে কোনো এক বিশেষ ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ গুণ, প্ৰকৃতি সম্পৰ্কে ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ সহায়ত জানিব পাৰি।

**৭.১.৫ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ পাৰ্থক্য ঃ**

বাগ্‌ধ্বনিৰ অধ্যয়নত ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব, বৰ্ণবিজ্ঞানৰ ভূমিকা আছে যদিও প্ৰত্যেকৰে স্বকীয় বৈশিষ্ট্য অনুসৰি পাৰ্থক্য পৰিলক্ষিত হয়। যিহেতু ধ্বনিবিজ্ঞান হৈছে, উচ্চাৰিত ধ্বনিৰ বিজ্ঞান। ইয়াত পৃথিবীৰ সমস্ত ভাষাৰ ধ্বনিসমূহৰ উৎপাদন (Production), উচ্চাৰিত ধ্বনিসমূহ বক্তাৰ মুখৰ পৰা শ্ৰোতালৈ প্ৰেৰণ (Transmission) আৰু ধ্বনিসমূহৰ গ্ৰহণ (Reception) সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। ইয়াত পৃথিবীৰ সকলো ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে প্ৰাথমিক আৰু সাধাৰণ আলোচনা আগবঢ়োৱা হয়। এইফালৰ পৰা চাবলৈ গ'লে, ধ্বনিবিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ বিস্তৃত।

বৰ্ণবিজ্ঞানৰ পৰিসৰ ধ্বনিবিজ্ঞানতকৈ যথেষ্ট সীমিত। ইয়াত কোনো এটা ভাষাত উচ্চাৰিত ধ্বনি সম্পৰ্কেহে বিজ্ঞানসন্মতভাৱে আলোচনা আগবঢ়োৱা হয়। পৃথিৱীৰ ভাষাসমূহত সাধাৰণভাৱে উচ্চাৰিত ধ্বনিবোৰৰ প্ৰত্যেকৰে ধ্বনি গুণ, প্ৰকৃতি আৰু প্ৰয়োগ সুকীয়া সুকীয়া। ভাষাভেদেও ধ্বনিবোৰৰ উচ্চাৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবাবে বৰ্ণবিজ্ঞানত কোনো এটা ভাষাৰ আকৃতি আৰু প্ৰকৃতিসমূহৰ বিষয়ে সূক্ষ্মভাৱে অধ্যয়ন চলোৱা হয়। বৰ্ণবিজ্ঞানৰ প্ৰধান অধ্যয়নৰ বিষয় হৈছে — বৰ্ণবিচাৰ অৰ্থাৎ বৰ্ণ সম্পৰ্কে অধ্যয়ন। ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহক বিশিষ্ট আৰু অবিশিষ্ট হিচাপে চিনাক্ত কৰি বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰাই হৈছে — বৰ্ণবিজ্ঞানৰ প্ৰধান কাম।

ধ্বনিতত্ত্বত ভাষাবিশেষত উচ্চাৰিত বাগ্‌ধ্বনি (Vocal Sound) আৰু ধ্বনিসমূহৰ পৰিবৰ্তন (Sound Changes), বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allphone) সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। যদি ধ্বনিবিজ্ঞানক এখন পৃথিৱী বুলি কোৱা হয়, তেতিয়া ধ্বনিতত্ত্বক এখন দেশ বুলি ক'ব পাৰি। যিহেতু ধ্বনিবিজ্ঞানত পৃথিৱীৰ সমস্ত ভাষাৰ অধ্যয়ন কৰা হয়। কিন্তু ধ্বনিতত্ত্বত কোনো ভাষা বিশেষৰহে অধ্যয়ন কৰা হয়। ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ পাৰ্থক্য সম্পৰ্কে জনচ্ লিয়নছ (John Lyons)ৰ ভাষাত ক'বলৈ গ'লে — ধ্বনিবিজ্ঞানত উচ্চাৰিত ধ্বনিসমূহৰ ক্ৰমাবদ্ধ বৈপৰীত্য (Paradigmatic Opposition) আৰু সহাবদ্ধ সংযোগ (Syntagmatic Combination) স্বাধীনভাৱে বিচাৰ-বিবেচনা কৰা হয়,

আনহাতে ধ্বনিতত্ত্বত ভাষাবিজ্ঞানীয়ে এটা বিশেষ ভাষাৰ ধ্বনি সম্পৰ্কেহে বৰ্ণনা কৰে।[৩]

ধ্বনিতত্ত্বৰ বিষয় হৈছে — ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ সাধাৰণ ধ্বনি প্ৰণালীৰ বিষয়ে আলোচনা কৰা। ধ্বনিবিজ্ঞানৰ পৰা ধ্বনিতত্ত্বই নিৰ্বাচিত কিছুমান ধ্বনি সামগ্ৰী লৈ কোনো বিশেষ ভাষাৰ অধ্যয়ন চলায়। সাধাৰণতে পৃথিৱীৰ বিভিন্ন ভাষাত বাগিন্দ্ৰিয়ৰ সহায়ত মানুহে ভিন্ন ধৰণৰ বাগ্‌ধ্বনি উচ্চাৰণ কৰা দেখা যায়। কিন্তু বিশেষ ভাষিকগোষ্ঠীয়ে ব্যৱহাৰ কৰা বিশেষ ভাষাত উচ্চাৰিত ধ্বনিৰ সংখ্যা সীমাবদ্ধ। প্ৰত্যেক ভাষাত উচ্চাৰিত বাগ্‌ধ্বনিৰ উচ্চাৰণৰ প্ৰকৃতি আৰু গুণ বিশেষত্বপূৰ্ণ। মুঠতে ধ্বনিতত্ত্বত ধ্বনিৰ নিৰ্বাচন (Selection of Sounds) আৰু এই ধ্বনিসমূহৰ প্ৰয়োগ বিশ্লেষণেই অধ্যয়নৰ মূল বিষয়।

ৰবিন্স (Robins)-এ ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ পাৰ্থক্য সম্পৰ্কে এনেদৰে কৈছে — ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বত ধ্বনিৰ উচ্চাৰণ সম্পৰ্কে আলোচনা কৰা হয়, কিন্তু দুয়োটাৰ অধ্যয়নৰ দৃষ্টিভংগী সুকীয়া। ধ্বনিবিজ্ঞান হৈছে — সাধাৰণকৃত (General), বৰ্ণনাত্মক (Descriptive) আৰু বৰ্গীকৃত (Classifictory)। আনহাতে ধ্বনিতত্ত্ব হৈছে, নিৰ্দিষ্ট (Particular) আৰু কাৰ্যকৰী (Functional)[৪]। ধ্বনিবিজ্ঞানে ভাষাসমূহৰ উদাহৰণ দাঙি ধৰে। বাগ্‌ধ্বনিসমূহৰ সামগ্ৰিকভাৱে গুণাগুণ বিচাৰ কৰে। আনহাতে ধ্বনিতত্ত্বত কোনো এটা বিশেষ ভাষাত উচ্চাৰিত বাগ্‌ধ্বনিৰ প্ৰায়োগিক দিশ সম্পৰ্কে আলোচনা আগবঢ়ায়। চমুকৈ ক'বলৈ হ'লে, ধ্বনিতত্ত্ব কাৰ্যকৰী ধ্বনিবিজ্ঞান (Functional Phonetics)।

ধ্বনিবিজ্ঞানত বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত সকলো ধ্বনিকেই গুৰুত্বপূৰ্ণ বুলি ধৰা হয়। ইয়াত বাগিন্দ্ৰিয়সমূহৰ বিষয়েও আলোচনা কৰা হয়। কিন্তু ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানত ভাষা বিশেষত উচ্চাৰিত সকলো ধ্বনি গুৰুত্বপূৰ্ণ বুলি ধৰা নহয়। যিবোৰ ধ্বনি অৰ্থভেদক সেই ধ্বনিবোৰকহে বিশিষ্ট ধ্বনি বা বৰ্ণ হিচাপে চিনাক্ত কৰি ধ্বনিৰ প্ৰকৃতি, গুণ আৰু প্ৰয়োগ বিশ্লেষণ কৰা হয়। এই দুয়োটাতে বাগিন্দ্ৰিয় সম্পৰ্কে কোনো আলোচনা কৰা নহয়। ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানত ধ্বনিৰ ব্যৱহাৰিক ৰূপৰ বিষয়তহে দিয়া হয়। মুঠতে ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ মাজত সুস্পষ্ট পাৰ্থক্য আছে। কে. এল. পাইকৰ মতে — "ধ্বনিবিজ্ঞানে ভাষাৰ কেঁচামাল সংগ্ৰহ কৰে, বৰ্ণবিজ্ঞানে এই মালবোৰক লৈ চালি-জাৰি বন্ধন কৰে।"[৫]

ভাষা বিশেষৰ অধ্যয়নত ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানতকৈ ধ্বনিতত্ত্বৰ প্ৰয়োজনীয়তা বেছি। যিকোনো ভাষা এটাৰ স্বকীয়তা সম্পৰ্কে জ্ঞান দিব পাৰে ধ্বনিতত্ত্বৰ অধ্যয়নেহে। কোনো এটা ভাষাৰ ধ্বনিতত্ত্বৰ অধ্যয়নত বৰ্ণবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰো ভূমিকা আছে। ধ্বনিবিজ্ঞানে ভাষাৰ অধ্যয়নত ধ্বনিৰ প্ৰাথমিক

জ্ঞান দিব পাৰে আৰু বৰ্ণবিজ্ঞানে ভাষাটোত উচ্চাৰিত বাগ্‌ধ্বনিসমূহৰ প্ৰকৃতি আৰু প্ৰয়োগ বিশ্লেষণ কৰাত সহায় কৰে। মুঠতে ভাষা এটাৰ অধ্যয়নত ধ্বনিতত্ত্বৰ ব্যৱহাৰিক প্ৰয়োজনীয়তা বেছি।

ধ্বনিবিজ্ঞানে ভাষাৰ প্ৰাথমিক সামগ্ৰী গোটাই দিয়াৰ পাছত ধ্বনিতত্ত্বৰ সহায়ত ধ্বনিসামগ্ৰীক ভাষাবিজ্ঞানৰ অধ্যয়ন প্ৰণালীৰ সূত্ৰ খটুৱাই ধ্বনিৰ উচ্চাৰণৰ প্ৰকৃতি অনুসৰি শ্ৰেণীবিভাগ (Sorting and Classification) কৰে আৰু বৰ্ণবিজ্ঞানে ধ্বনিবোৰৰ পৰিৱেশজনিত প্ৰয়োগ বিশ্লেষণৰ দ্বাৰা বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰে।

### ৭.১.৬ ধ্বনি, বৰ্ণ, উপধ্বনি ঃ

**ধ্বনি ঃ** সামগ্ৰিকভাৱে 'ধ্বনি' শব্দই ব্যাপক অৰ্থ প্ৰকাশ কৰে যদিও ভাষাবিজ্ঞানত মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ কথাহে কোৱা হৈছে। হাওঁফাওঁৰ পৰা বাহিৰলৈ ওলাই যোৱা আৰু বাহিৰৰ পৰা মুখৰ ভিতৰলৈ সোমাই অহা বায়ুপ্ৰবাহৰ সহায়ত বাগিন্দ্ৰিয়ৰ সঞ্চালনত এক প্ৰকাৰ নাদ সৃষ্টি হয় আৰু এই নাদকেই 'বাগ্‌ধ্বনি' (Phone) বুলি কোৱা হয়। 'মই ভাত খাওঁ' বুলি কওঁতে ম+ই, ভ+আ+ত, খা+আ+ওঁ আদি বহুতো ধ্বনি উচ্চাৰণ হয়। এনেদৰে কথা কওঁতে মানুহে ধ্বনি উচ্চাৰণ কৰে। উচ্চাৰিত ধ্বনিৰ সমষ্টিয়ে শব্দ সৃষ্টি কৰে আৰু শব্দ সজ্জাৰ সহায়ত বাক্য সৃষ্টি কৰা হয়। বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত শ্ৰূয়মান সংকেতবোৰক 'ধ্বনি' বোলা হয়। ধ্বনি বুলিলে ভাষাত উচ্চাৰিত বিশিষ্ট-অবিশিষ্ট সকলো ধ্বনিকে বুজা যায়।

**বৰ্ণ ঃ** ভাষাত বিশিষ্ট-অবিশিষ্ট অজস্ৰ ধ্বনি উচ্চাৰণ কৰা হয়। সকলো ধ্বনিৰ উচ্চাৰণ স্পষ্ট নহয় আৰু বক্তা আৰু শ্ৰোতাৰ কাণত বাজি নুঠে। কেতবোৰ ধ্বনিৰ উচ্চাৰণত বক্তা আৰু শ্ৰোতা উভয়ে সজাগ হয়। ভাষাত উচ্চাৰিত ধ্বনিসমূহক বৰ্ণ-বিজ্ঞানৰ সহায়ত সুনিৰ্দিষ্ট ৰীতিৰে প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰি কিছুমান একক বা গোটত বিভক্ত কৰা হয়। এনেদৰে বিচাৰ কৰা গোটক **বিশিষ্ট ধ্বনি** বা **বৰ্ণ** (Phoneme) বোলা হয়। এই বিশিষ্ট ধ্বনি বা বৰ্ণই শব্দৰ অৰ্থ পৃথক কৰিব পাৰে।

**উপধ্বনি ঃ** 'বৰ্ণ' হৈছে কিছুমান 'সদৃশ ধ্বনিৰ একোটা গোট'। বৰ্ণবিজ্ঞানত ধ্বনি বিচাৰৰ দ্বাৰা বৰ্ণ চিনাক্ত কৰা হয়। বৰ্ণটো উচ্চাৰণৰ ধ্বনি গুণৰ মিল থকা কিছুমান ধ্বনিৰ দ্বাৰা গঠিত হয়, সেই অবিশিষ্ট উচ্চাৰণৰ সাদৃশ্য থকা ধ্বনিসমূহক বিভাজন কৰি সেই বৰ্ণটোৰ **'উপধ্বনি'** (Allophone) বুলি চিনাক্ত কৰা হয়। সাধাৰণতে বৰ্ণ-বিচাৰ কৰা হয় ধ্বনিৰ পৰিৱেশ আৰু প্ৰয়োগ বিশ্লেষণৰ ভিত্তিত।

বৰ্ণত অন্তৰ্নিহিত হৈ থকা উপধ্বনিবোৰ কিছুমান বিশেষ পৰিৱেশত ব্যৱহাৰ কৰা হয় আৰু ইহঁতৰ প্ৰয়োগ অপ্ৰতীপ বা অবিৰোধী। সেইবাবে ইহঁতক 'অবিশিষ্ট ধ্বনি' বুলি ধৰা হয়। বক্তা বা শ্ৰোতাৰ কাণত এই অবিশিষ্ট ধ্বনিৰ উচ্চাৰণ বাজি নুঠে। এই অবিশিষ্ট ধ্বনিবোৰে শব্দৰ অৰ্থ পৃথক কৰিব নোৱাৰে।

**৭.১.৭ ধ্বনি, বৰ্ণ আৰু উপধ্বনিৰ সম্পৰ্ক ঃ**

ভাষাৰ মৌলিক সামগ্ৰী হৈছে ধ্বনি। মানুহে কথা-বতৰা কওঁতে অজস্ৰ ধ্বনি উচ্চাৰণ কৰে। এই ধ্বনিসমূহ বাগিন্দ্ৰিৰ দ্বাৰা উচ্চাৰণ কৰা হয়। ভাষাবিজ্ঞানৰ অন্তৰ্গত বিভাগ বৰ্ণবিজ্ঞানত ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহৰ বিচাৰ-বিশ্লেষণ কৰি ধ্বনিৰ প্ৰকৃতি আৰু প্ৰয়োগ বিশ্লেষণ কৰা হয়। ভাষাত উচ্চাৰিত হোৱা বাগ্‌ধ্বনিবোৰৰ কিছুমান বিশেষ গুণ দেখা যায়। এই বিশেষ গুণৰ ভিতৰত এটা হৈছে— চলতা (Fluctuation)। কোনো এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ উচ্চাৰণৰ তাৰতম্য ঘটে। কিছুমান ধ্বনি বক্তাই উচ্চাৰণ কৰোঁতে শ্ৰোতাৰ কাণত বাজি উঠে, এনে ধ্বনিবোৰৰ উচ্চাৰণৰ পাৰ্থক্য বুজিবলৈ সহজ। কিন্তু কিছুমান ধ্বনিৰ উচ্চাৰণ বক্তা আৰু শ্ৰোতাৰ কাণত নাবাজে বা স্পষ্ট নহয়। এনে ধ্বনিৰ উচ্চাৰণৰ তাৰতম্য অনুসৰি ধ্বনিসমূহক বিভাজন কৰা হয়। বক্তা আৰু শ্ৰোতাৰ কাণত বাজি উঠা ধ্বনিসমূহক 'বিশিষ্ট ধ্বনি' বা 'বৰ্ণ' বুলি কোৱা হয়, আনহাতে বক্তা আৰু শ্ৰোতাৰ কাণত বাজি নুঠা ধ্বনিসমূহক 'অবিশিষ্ট ধ্বনি' বুলি ধৰা হয়। উক্ত আলোচনাৰ পৰা বুজিব পাৰি যে, ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ উচ্চাৰণৰ গুণ অনুসৰি '**বৰ্ণ**' নিৰ্ণয় কৰা হয়। তেনেহ'লে ধ্বনি আৰু বৰ্ণ পাৰস্পৰিক সম্পৰ্ক নিৰ্ভৰ। কেতিয়াবা উচ্চাৰণৰ নিৰ্দিষ্ট ধ্বনি গুণ থকা এটা ধ্বনিক এটা '**বৰ্ণ**' বুলি ধৰা হয় আৰু কেতিয়াবা সদৃশ ধ্বনি-উচ্চাৰণযুক্ত একাধিক ধ্বনিকো একোটা **বৰ্ণ** বুলি ধৰা হয়। উচ্চাৰণৰ নিৰ্দিষ্ট ধ্বনিগুণ থকা ধ্বনিসমূহক একে পৰিৱেশত এটাৰ ঠাইত অন্য এটা বহুৱালে ৰূপ দুটাৰ অৰ্থ ভিন্ন হয়। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাত পাত, ফাট, বাট এই তিনিটা ৰূপৰ /প, ফ, ব/-ৰ বাহিৰে বাকী 'আত' অংশ একে। এই 'আত' অংশৰ লগত /প, ফ, ব/ সংযোগ কৰাৰ পাছত প্ৰত্যেকটো ৰূপৰে অৰ্থ বেলেগ বেলেগ হৈছে। অসমীয়া ভাষাত /প, ফ, ব/ এইকেইটা বিশিষ্ট ব্যঞ্জন ধ্বনি অৰ্থাৎ 'বৰ্ণ', যিহেতু অভিন্ন পৰিৱেশত ইহঁতৰ বিৰোধ ঘটিছে। তেনেহ'লে অভিন্ন পৰিৱেশত বিৰোধ ঘটা সকলোবোৰ ধ্বনিকে '**বৰ্ণ**' বোলা হয়। ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ পৰা বৰ্ণ বিশ্লেষণৰ সহায়ত '**বৰ্ণ**' চিনাক্ত কৰাৰ পাছত সেই বৰ্ণসমূহৰ উপধ্বনি বিচাৰ কৰা হয়। বিশেষ মনকৰিবলগীয়া কথা যে, অভিন্ন পৰিৱেশত বিৰোধ ঘটা ধ্বনিক '**বৰ্ণ**' বুলি চিনাক্ত কৰা হয়, সেই ধ্বনিটো সেই ধ্বনি গোট বা বৰ্ণৰ এটা উপধ্বনি বুলি চিনাক্ত কৰা হয়।

এটা ধ্বনিয়েও এটা 'বৰ্ণ' হ'ব পাৰে বা তাতোকৈ অধিক ধ্বনি লগলাগি একোটা 'বৰ্ণ' হ'ব পাৰে। সেইকাৰণে 'বৰ্ণ'ক 'ধ্বনিৰ পৰিয়াল' (Family of Sound) বুলিও কোৱা হয়। এক বা একাধিক ধ্বনিযুক্ত বৰ্ণ চিনাক্ত কৰাৰ পাছত সেই এক বা একাধিক ধ্বনিসমূহকে সেই বৰ্ণটোৰ 'উপধ্বনি' বুলি কোৱা হয়। উপধ্বনি নিৰ্ণয় কৰাৰো কিছুমান নিয়ম আছে। ভাষাত উচ্চাৰিত কিছুমান ধ্বনি বিশেষ পৰিবেশতহে ব্যৱহাৰ হয় আৰু ইহঁতৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। ইহঁতৰ পৰস্পৰৰ মাজত কেতিয়াও বিৰোধ নঘটে, বৰঞ্চ এটা আনটোৰ পৰিপূৰকহে হয়। সাধাৰণতে এইবোৰ অবিশিষ্ট ধ্বনি। ধ্বনিৰ গুণ, উচ্চাৰণৰ স্থান, ধৰণ আদিৰ ক্ষেত্ৰত ধ্বনিগত মিল থকা সদৃশ অবিশিষ্ট ধ্বনিবোৰক একোটা গোটত বিভক্ত কৰা হয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'ভাল' আৰু 'লাভ' শব্দ দুটাৰ ভ আৰু ভ্ এই ধ্বনি দুটাৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট আৰু বিশেষ পৰিবেশত প্ৰয়োগ হয়। 'ভ' আদি অৱস্থানত আৰু 'ভ্' পদান্ত অৱস্থানত পোৱা যায়। এতেকে 'ভ' আৰু 'ভ্' এই ধ্বনি দুটা লগলগাই এটা গোট কৰা হয় আৰু এই ধ্বনিগোটক /ভ/ বৰ্ণৰূপে চিনাকি দিয়া হয়। এই /ভ/ বৰ্ণৰ অন্তৰ্গত 'ভ' আৰু 'ভ্' প্ৰত্যেকেই একোটাইঁত উপধ্বনি।

থোৰতে এনেদৰে ক'ব পাৰি যে, ধ্বনি, বৰ্ণ, উপধ্বনি প্ৰত্যেকেই ভাষাৰ সামগ্ৰী আৰু প্ৰত্যেকৰে অংগাংগী সম্পৰ্ক আছে। ভাষাত উচ্চাৰিত বাগ্‌ধ্বনিসমূহক পৰিয়ালভুক্ত কৰা হয় আৰু পৰিয়ালভুক্ত কৰা প্ৰত্যেকটো ধ্বনিয়েই একোটাইঁত উপধ্বনি। উপধ্বনিসমূহৰ যিটো ধ্বনিয়েই ক্ষমতাশালী আৰু বহুল প্ৰয়োগ ঘটে সেই ধ্বনিটোকে 'বৰ্ণ' বুলি চিনাক্ত কৰা হয়। 'বৰ্ণ' সূচিত হোৱা ধ্বনিটো উচ্চাৰণ কৰি গোটেই ধ্বনি পৰিয়ালটোক বুজোৱা হয়।

### ৭.১.৮ ধ্বনি, বৰ্ণ আৰু উপধ্বনিৰ পাৰ্থক্য ঃ

ধ্বনি, বৰ্ণ আৰু উপধ্বনি এই তিনিওটা ভাষাৰ উচ্চাৰিত ধ্বনিৰ লগত জড়িত। সেইফালৰ পৰা প্ৰত্যেকেই প্ৰত্যেকৰ সম্পৰ্ক নিৰ্ভৰ। কিন্তু এই আটাইকেইটাৰে ভাষিক বিশ্লেষণ সুকীয়া। এইফালৰপৰা ইহঁতৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। তলত ইহঁতৰ মাজত থকা অমিলসমূহ ফঁহিয়াই চোৱা হৈছে।

| ধ্বনি | বৰ্ণ | উপধ্বনি |
|---|---|---|
| ১। 'ধ্বনি' বুলিলে বাগ যন্ত্ৰৰ সহায়ত উচ্চাৰিত সকলো ধ্বনিকে বুজায়। ধ্বনিক বিশিষ্ট আৰু অবিশিষ্টবুলি কোনো ভাগ কৰা নহয়। | ১। 'বৰ্ণ' বুলিলে ধ্বনি গোটক বুজায়। ইয়াত ধ্বনিৰ প্ৰকৃতি, গুণ অনুসৰি কেৱল বিশিষ্ট ধ্বনিসমূহক ধৰা হয়। | ১। 'উপধ্বনি বুলিলে ভাষাত উচ্চাৰিত অবিশিষ্ট ধ্বনিসমূহক বুজায়। |
| ২। ধ্বনিবিজ্ঞানত বাগ্‌ধ্বনি | ২। বৰ্ণবিজ্ঞানত কেতবোৰ | ২। উপধ্বনিবোৰ সদৃশ ধ্বনি |

| | | |
|---|---|---|
| সমূহৰ উচ্চাৰণ, স্থান, প্ৰকৰণ অনুসৰি প্ৰকাৰভেদ কৰি পৰিচয়জ্ঞাপক এটা আলোচনা আগবঢ়োৱা হয়। | সুনির্দিষ্ট নীতিৰে শ্ৰেণী-শৃংখলাৰে বৰ্ণ নিৰ্ণয় কৰা হয়। ধ্বনিৰ ধ্বনিগত মিলটোৰ লক্ষ্য কৰি সাদৃশ্য ধ্বনি গোটৰ একোটা গোটকে 'বৰ্ণ' বুলি স্বীকৃতি দিয়া হয়। বৰ্ণসমূহ চিনাক্ত কৰণৰ পাছত উচ্চাৰণৰ স্থান আৰু প্ৰকৰণ অনুসৰি তালিকা-ভুক্ত কৰা হয়। | গোটৰ উপাদান। ধ্বনিসমূহৰ উচ্চাৰণৰ ধ্বনিগত সাদৃশ্য বিচাৰি উপধ্বনি বাছি উলিওৱা হয়। উপধ্বনি-সমূহক বৰ্ণবিজ্ঞানে সামৰি লয়। |
| ৩। ধ্বনিৰ ক্ষেত্ৰত কোনো বিৰোধ বিচাৰ কৰা নহয়, আনহাতে এই বাগ্‌ধ্বনি-সমূহৰ বিৰোধী আৰু অবিৰোধী দুই প্ৰকাৰৰ প্ৰয়োগ পোৱা যায়। | ৩। ধ্বনিৰ দুই প্ৰকাৰৰ প্ৰয়োগ, যেনে - বিৰোধী প্ৰয়োগ আৰু অবিৰোধী প্ৰয়োগ বা অপ্ৰতীপ প্ৰয়োগলৈ লক্ষ্য কৰি বৰ্ণ নিৰ্ণয় কৰা হয়। বৰ্ণসমূহ শব্দৰ আদি, মধ্য, অন্ত সকলো অৱস্থানত প্ৰয়োগ নহ'বও পাৰে। সাধাৰণতে শব্দৰ মধ্য অৱস্থানত সকলো বৰ্ণৰ প্ৰয়োগ পোৱা যায়। | ৩। উপধ্বনিবোৰৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। স্থান অনুসৰিও উচ্চাৰণৰ সূক্ষ্ম পাৰ্থক্য পৰিলক্ষিত হয়। কিন্তু কোনো কোনো ভাষাত ধ্বনিগত সাদৃশ্য থকা কোনো ধ্বনিৰ প্ৰয়োগ আদি মধ্য, অন্ত সকলো অৱস্থানতে হ'ব পাৰে। ইহঁতৰ প্ৰয়োগ অপ্ৰতীপ বা অবিৰোধী। |
| ৪। ধ্বনি বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত হয়। ইহঁতবো প্ৰত্যেকৰে উচ্চাৰণাত্মক শ্ৰূয়মান বাস্তৱ ৰূপ আছে। | ৪। বৰ্ণ এটা বিমূৰ্ত ৰূপহে, ই উচ্চাৰিত নহয়, বৰ্ণৰ অন্তৰ্গত উপধ্বনিটো উচ্চাৰণ কৰি বৰ্ণটোৰ উচ্চাৰণাত্মক শ্ৰূয়মান বাস্তৱ ৰূপ বুলি দেখুওৱা হয়। | ৪। উপধ্বনিবোৰৰ প্ৰত্যেকৰেই উচ্চাৰণাত্মক শ্ৰূয়মান বাস্তৱ ৰূপ আছে। ইহঁতৰ প্ৰত্যেকৰে উচ্চাৰণৰ নিজা বৈশিষ্ট্য আছে। |